# WORLD WATER DAY-2022

অসম আদিত্য

# দুলীয়াজান কলেজত বিশ্ব জল দিৱস পালন

**বিশেষ প্ৰতিনিধি, দুলীয়াজান, ২২ মাৰ্চ ঃ** সমগ্ৰ বিশ্বৰ লগতে আজি দুলীয়াজান মহাবিদ্যালয়টো 'বিশ্ব জল দিৱস' পালন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত সজাগতা সভাত এইবাৰ বিশ্ব জল দিৱসৰ মূল বিষয়বস্তু গ্ৰাউণ্ড ৱাটাৰ-মেকিং দ্য ইনভিজিবল ভিজিবল (Ground water- Making the Invisible Visible) ৰ সন্দৰ্ভত মহাবিদ্যালয়খনৰ শৈক্ষিক সমন্বয়ক ড০ জিতুমণি বড়াই এক তথ্যসমৃদ্ধ বক্তৃতা প্ৰদান কৰে। আনহাতে, অনুষ্ঠানত ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপিকা ড০ মনচুমী গগৈয়ে গ্ৰাউণ্ড ৱাটাৰ কনটেমিনেশ্যন ইন আছাম (Ground water contamination in Assam) শীৰ্ষক এক উপযোগী দৃশ্য-শ্ৰাব্যমূলক আলোচনা আগবঢ়ায়। দুলীয়াজান মহাবিদ্যালয়ৰ আন এগৰাকী শৈক্ষিক সমন্বয়ক ড০ হেমন্ত দাস আৰু অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দয়ানন্দ নাথে বিশ্ব




জল দিৱসৰ লগত সংগতি ৰাখি দৈনন্দিন জীৱনৰ বিভিন্ন উদাহৰণসহ পানীৰ সম্ভাব্য অভাৱৰ বিষয়ে সৰল আৰু সকলোৰে উপযোগী ভাষণ প্ৰদান কৰে। ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপিকা ড০ কল্যাণী ৰাজকুমাৰীয়ে আঁত ধৰা অনুষ্ঠানটো ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপকদ্বয় নিৰুপমা দে আৰু গৌৰৱ সেনগুপ্তাৰ দ্বৈত ৰবীন্দ্ৰ সংগীতে শুভাৰম্ভ কৰা হয়। বাংলাবিভাগৰ সহকাৰী অধ্যাপক অভিজিত সাহা আৰু ৰসায়ন বিভাগৰ অধ্যাপিকা ড০ কল্যাণী ৰাজকুমাৰীয়ে পানীবিষয়ক দুটি স্বৰচিত কবিতা পাঠ কৰি অনুষ্ঠানটো উপভোগ্য কৰি তোলে।

Caption



Caption